# ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ আৰু বৰ্তমানৰ সমাজত ইয়াৰ প্ৰাসংগিকতা

- বৰষা ডেকা, প্ৰাক্তন ৰাষ্ট্ৰীয় শিশু বিজ্ঞানী, MA Sociology

আজিৰ শিশু কাইলৈ দেশৰ ভৱিষ্যত । এই কথাষাৰকে সৰোগত কৰি ভাৰত চৰকাৰ্ৰৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা বিভাগে এক বিশেষ কাৰ্য্যসূচী পালন কৰি আহিছে । কৌতুহলী আৰু অভিসন্ধিৎসু মনৰ শিশু সকলক কেন্দ্ৰ কৰি গঢ় লৈ উঠা এই অনুষ্ঠানটো হৈছে ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ । ১৯৯৩ চনৰ পৰা একেলেথাৰিয়ে পালন কৰি অহা এই অনুষ্ঠানটিৰ জৰিয়তে শিশুৰ কল্পনা আৰু উদ্ভাৱনা শক্তিক উপযুক্ত ভাবে আগবঢ়াই নিবলৈ তেওঁলোকক একোখন মঞ্চ দিছে । এই মঞ্চৰ জৰিয়তে তেওঁলোকৰ উদ্ভাৱনী শক্তিক ৰাষ্ট্ৰীয় তথা আন্তৰাষ্ট্ৰীয় পৰ্যায় লৈকে লৈ যাব পাৰে । দহৰ পৰা সোতৰ বছৰ বয়সৰ শিশুক এই অনুষ্ঠানত অংশ গ্ৰহন কৰিবলৈ দিয়া হয় । বিদ্যালয়লৈ নোযোৱা শিশুৱেও তেঁওৰ উদ্ভাৱনী আৰু কল্পনা শক্তিক এই অনুষ্ঠান টোত দাঙি ধৰিব পাৰে ।

বিজ্ঞান প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ লগে লগে আমি বোৰ ব্যস্ত হৈ পৰিছো । যিটো বয়সত শিশু সকলৰ মন কৌতূহলী হৈ উঠে অথবা নজনা কথা বোৰ জানিবৰ বাবে আগ্ৰহী হৈ পৰে, তেনে সময়তে আমি তেওঁলোকৰ হাতত তুলি দিছো ভিদিও গেম, মোবাইল অথবা ফেচবুক, হোৱাটচাপ ইত্যাদি চচিয়েল মিডিয়া । ভিদিও গেম অথবা চচিয়েল মেডিয়া অত্যাধিক পৰিমানে ব্যৱহাৰ কৰাৰ ফলত শিশু সকলৰ অনুসন্ধিৎসু মনোভাব কমি আহিছে । ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহে প্ৰধান কৈ শিশু মনক প্ৰাধান্য দিছে । ইয়াৰ প্ৰধান উদ্দেশ্য হৈছে শিশু সকলৰ মনত বৈজ্ঞানিক দৃষ্টি ভংগী তথা মানসিকতা গঢ়ি তোলা । তেওঁলোকৰ সামাজিক সমস্যা সমূহ বিজ্ঞান সন্মত ভাবে চিন্তা চৰ্চা কৰিব পৰাকৈ গঢ়ি তোলা । যিয়ে তেওঁলোকক ভৱিষ্যতে দেশৰ এগৰাকী দায়িত্বশী নাগৰিক ৰূপে নিজকে গঢ় দিব পাৰিব ।

অসমৰ প্ৰত্যেক খন জিলাৰ লগতে গোটেই ভাৰতবৰ্ষ খনকে ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহে সামৰি লৈছে । প্ৰতি বছৰে অসমৰ প্ৰায় প্ৰত্যেক খন জিলাৰে কেইবাশ শিশু বিজ্ঞানীয়ৌই অনুষ্ঠান টোৰ বাবে প্ৰকল্প প্ৰস্তুত কৰে । উত্তম প্ৰকল্প সমূহ ৰাষ্ট্ৰীয় পৰ্য্যালয়লৈ নিৰ্বাচিত হয় । এই অনুষ্ঠানটিৰ সৈতে জড়িত হৈ এটা কথা অনুভৱ কৰিছো যে সকলো লোক এই অনুষ্ঠান টোৰ বাবে আগ্ৰহী নহয় । তেঁওলোকে ইয়াত অংশ গ্ৰহণৰ বাবে প্ৰস্তুত কৰা প্ৰকল্প বোৰক বহুত ডাঙৰ ডাঙৰ বৈজ্ঞানিক পৰীক্ষা নিৰীক্ষা থকা প্ৰকল্প বুলি ভাবি লৈ ভয়তে কৰিব নিবিচাৰে, কিন্তু ইয়াত প্ৰকল্প প্ৰস্তুত কৰিবলৈ ডাঙৰ পৰীক্ষা নিৰীক্ষাৰ একেবাৰেই প্ৰয়োজন নাই । এই অনুষ্ঠান টোৱে সদাই সাধাৰণ আৰু থলুৱা বস্তুক

প্ৰাধান্য দি আহিছে । তদুপৰি, এই অনষ্ঠানটোৰ বিষয়ে সকলো লোক জ্ঞাত নহয় যাৰ বাবে ই আশা কৰা ধৰণে সকলো ল’ ৰা ছোৱালীক সামৰি লব পৰা নাই ।

বৰ্তমান সময়ত এই অনুষ্ঠান টোৰ প্ৰাসংগিকতা মন কৰিব লগীয়া । মোবাইল ভিদিও গেমৰ মাজৰ শিশুৰ শৈশৱ তথা কৌতুহলী মনটোক বান্ধি ৰখাৰ বিপৰীতে আমি তেওঁলোকক বাহিৰলৈ ওলিয়াই আনিবলৈ যত্ন কৰিব লাগে । এই অনুষ্ঠান টোৰ মহান উদ্দেশ্য সমূহ পূৰণ কৰিবলৈ হ’ লে আমি সকলোৱে শিশু সকলক আগ বঢ়াই আনিব লাগিব । তেঁওলোকক বৈজ্ঞানিক আবিস্কাৰৰ উপকাৰিতা আৰু অপকাৰিতাৰ বিষয়ে সচেতন কৰি তুলিব লাগিব । পৰিবেশ প্ৰদুষণ, প্লাষ্টিকৰ ব্যৱহাৰ, বনাঞ্চলৰ ধ্বংসলীলা, ফাষ্ট ফুড ইত্যাদি সমগ্ৰ বিশ্বতে আৰম্ভ হোৱা গোলকীয় সমস্যা । এই সমস্যা সমূহৰ ভয়াবহতাৰ বিষয়ে উঠি অহা শিশু সকলক অৱগত কৰি তেঁওলোকক বৈজ্ঞানিক দৃষ্টি ভংগীৰে সমস্যা সমূহ সমাধানৰ ববাবে চিন্তা চৰ্চা কৰিবলৈ দিব লাগে, যাৰ জৰিয়তে তেঁওলোকে প্ৰকল্প এটা সুন্দৰ ধৰণে প্ৰস্তুত কৰি উলিয়াব পাৰে ।